# ASSAMESE

## PAPER—II

## ( LITERATURE )

| Time Allowed : Three Hours | Maximum Marks : 250 |
|---|---|

### QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE question from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE.

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in chronological order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ পাঁচটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখাঁ। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150*টা শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

(a) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত প্ৰকাশ পোৱা কাব্যিক সৌন্দৰ্যৰ বিষয়ে আলোচনা কৰাঁ।

(b) 'ৰাজসূয় কাব্য'ত থকা যাদৱসকলৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰাৰ বৰ্ণনাৰ মাজত মাধৱদেৱৰ কবিত্বশক্তি কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

(c) ''কাম জয় নামে ইটো মাধৱৰ কেলি''—এই পদফাকিৰ আধাৰত ৰাসক্ৰীড়াৰ তাৎপৰ্য বিচাৰ কৰাঁ।

(d) অসমীয়া কথা-সাহিত্যলৈ ভট্টদেৱৰ অৱদানৰ বিষয়ে 'কথা-ভাগৱত'ৰ আলমত আলোচনা কৰাঁ।

(e) মাধৱদেৱৰ বৰগীতত প্ৰকাশ পোৱা ভক্তিতত্ত্ব আৰু কৃষ্ণলীলাৰ বিষয়ে চমুকৈ আলোচনা কৰাঁ।

**2.** তলৰ প্ৰশ্ন দুটাৰ উত্তৰ চমুকৈ কিন্তু বিচৰা বিষয় নিৰ্দেশ কৰি লিখাঁ : 25+25=50

(a) শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটত ৰুক্মিণী আৰু সত্যভামাৰ বচন আৰু কাৰ্যকলাপৰ মাজেদি কৃষ্ণ-ভক্তিৰ মাহাত্ম্য কেনেদৰে প্ৰকাশ কৰা হৈছে, আলোচনা কৰাঁ।

(b) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ 'অযোধ্যাকাণ্ড'ৰ ঘাই ৰস কি? কোনবোৰ ঘটনা আৰু কোনবোৰ চৰিত্ৰৰ আধাৰত এই ৰস প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

**3.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু বিষয়-নিৰ্দেশক উত্তৰ লিখাঁ : 25+25=50

(a) 'কীৰ্তন' পুথিৰ ৰাসক্ৰীড়া অধ্যায়ত প্ৰকাশ পোৱা গোপীসকলৰ কৃষ্ণপ্ৰেমৰ তাৎপৰ্য আলোচনা কৰাঁ।

(b) মাধৱদেৱৰ বৰগীতৰ সকলো দিশ সামৰি এটি প্ৰবন্ধ যুগুত কৰাঁ।

**4.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয় নিৰ্দেশ কৰি উত্তৰ লিখাঁ : 25+25=50

(a) 'গুৰু-চৰিত-কথা'ৰ আলমত শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনৰ পটভূমি বৰ্ণনা কৰাঁ।

(b) 'কথা-ভাগৱত'ৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ আলমত ভট্টদেৱৰ গদ্যশৈলীৰ বিষয়ে চমু আলোচনা আগবঢ়োৱাঁ।

## SECTION—B

**5.** তলৰ পাঁচটা প্ৰশ্নৰ উত্তৰ সংক্ষেপে লিখাঁ। প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150*টা শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

(a) 'কাৰেংঙৰ লিগিৰী'ত প্ৰকাশ পোৱা সুন্দৰ কোঁৱৰৰ মানসিক দ্বন্দ্বই চৰিত্ৰটোৰ আকৰ্ষণীয়তা কেনেদৰে বৃদ্ধি কৰিছে, আলোচনা কৰাঁ।

(b) 'জীৱনৰ বাটত' উপন্যাসখনিক মহাকাব্যিক উপন্যাস বোলাৰ কাৰণসমূহ চমুকৈ আলোচনা কৰাঁ।

(c) 'প্ৰতিমা'ৰ কবিতাকেইটিৰ মাজত ৰোমাণ্টিক কবিতাৰ কোনকেইটি দিশ বেছি স্পষ্ট হৈ আছে, আলোচনা কৰাঁ।

(d) বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' পুথিখনিৰ বিষয়ে এটি পৰিচয়সূচক প্ৰবন্ধ লিখাঁ।

(e) 'মনোমতী' উপন্যাসৰ নামকৰণ যুক্তিযুক্ত হৈছে বুলি ভাবানে, যুক্তি দৰ্শোৱাঁ।

**6.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয়-নিৰ্দেশক উত্তৰ লিখাঁ : 25+25=50

(a) গোহাঞিবৰুৱাৰ ‘গাঁওবুঢ়া’ নাটকৰ সংলাপসমূহে নাটখনিৰ সফলতাত কেনে অৰিহণা যোগাইছে, আলোচনা কৰাঁ।

(b) ‘কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা’ৰ ‘সামাজিক’ নামৰ ৰচনাখনিৰ মূল ভাব বিশ্লেষণ কৰাঁ।

**7.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু মূল বিষয় নিৰ্দেশ কৰি উত্তৰ লিখাঁ : 25+25=50

(a) শিৱসাগৰ আৰু কলিকতাত পাৰ কৰা বেজবৰুৱাৰ শিক্ষা জীৱনৰ বিষয়ে ‘মোৰ জীৱন সোঁৱৰণ’ৰ আলমত বৰ্ণনা কৰাঁ।

(b) ‘মৃত্যুঞ্জয়’ উপন্যাসৰ মহদা গোসাঁইৰ চৰিত্ৰটোৰ মাজেৰে ফুটি উঠা আদৰ্শৰ সংঘাতৰ বিষয়ে আলোচনা কৰাঁ।

**8.** তলৰ প্ৰশ্ন দুটাৰ চমু কিন্তু যথাযোগ্য উত্তৰ লিখাঁ : 25+25=50

(a) নৰকান্ত বৰুৱাৰ কাব্য-চিন্তাৰ বৈশিষ্ট্যৰ বিষয়ে ‘সম্ৰাট’ৰ আলমত আলোচনা কৰাঁ।

(b) ‘জীৱনৰ বাটত’ উপন্যাসৰ তগৰৰ চৰিত্ৰটো সমালোচনাৰ দৃষ্টিৰে আলোচনা কৰাঁ।

★ ★ ★

# ASSAMESE

## PAPER—II

## ( LITERATURE )

Time Allowed : Three Hours

Maximum Marks : 250

### QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE question from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in chronological order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

*(a)* মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ 'অযোধ্যা কাণ্ড'ত দশৰথৰ মৃত্যু আৰু ৰামৰ বন-গমনৰ বাৰ্তা শুনি ভৰতে কৈকেয়ীক কিদৰে তিৰস্কাৰ কৰিছিল, তোমাৰ ভাষাত লিখাঁ।

*(b)* " 'পাৰিজাত হৰণ' নাটত ৰুক্মিণীক এগৰাকী সৰ্বগুণসম্পন্না নাৰীৰূপে চিত্ৰিত কৰা হৈছে।" এই কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰাঁ।

*(c)* 'কীৰ্ত্তন-ঘোষা'ত শৃঙ্গাৰ ৰসাত্মক গোপীকৃষ্ণৰ 'ৰাসক্ৰীড়া'ৰ মাজেৰে ভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশ কৰা হৈছে, আলোচনা কৰাঁ।

*(d)* 'কথা-ভাগৱত'ত 'ভাগৱতৰ দশ লক্ষণ'ৰ কথাখিনি তোমাৰ ভাষাত লিখাঁ।

*(e)* মাধৱদেৱে বৰগীতত শিশুকৃষ্ণৰ বাল্যলীলাৰ বৰ্ণনাটোক কিদৰে ভক্তিৰ স্তৰলৈ উন্নীত কৰিছে, বিচাৰ কৰাঁ।

**2.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

*(a)* 'পাৰিজাত হৰণ' নাটত সমধৰ্মিতাৰ ভেটিত অঙ্কিত শচী আৰু সত্যভামাৰ চৰিত্ৰ দুটাৰ বিষয়ে বিশদভাৱে আলোচনা কৰাঁ। 20

*(b)* 'ৰাজসূয়' কাব্যখনত ইন্দ্ৰপ্ৰস্থ আৰু সুধৰ্মা সভাৰ বৰ্ণনাত মাধৱদেৱৰ কাব্যিক দক্ষতা কিদৰে অভিব্যক্ত হৈছে, আলোচনা কৰাঁ। 15

*(c)* 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত কৃষ্ণ আৰু গোপীসকলক যথাক্ৰমে পৰমাত্মা আৰু জীৱাত্মাৰ অৰ্থত গ্ৰহণ কৰি পৰমাত্মাৰ প্ৰতি জীৱাত্মাৰ আকৰ্ষণ আৰু মিলন বুলি অভিহিত কৰাৰ কাৰণ ব্যাখ্যা কৰাঁ। 15

**3.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

*(a)* 'গুৰু-চৰিত-কথা'ত শঙ্কৰদেৱৰ শিক্ষা আৰু ধৰ্মীয় জীৱনৰ কোনবোৰ দিশ সামৰি লোৱা হৈছে, আলোচনা কৰাঁ। 20

*(b)* 'কথা-ভাগৱত'ৰ তোমাৰ পাঠ্যাংশৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতিৰ বিশেষত্ববোৰ বিচাৰ কৰাঁ। 15

*(c)* 'কথা-ভাগৱত'ৰ গদ্যৰীতি আৰু 'গুৰু-চৰিত-কথা'ৰ গদ্যৰীতিৰ এটি তুলনামূলক আলোচনা যুগুত কৰাঁ। 15

**4.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

*(a)* কি কি নাটকীয় কলাকৌশলৰ কাৰণে 'পাৰিজাত হৰণ' নাটখনক শঙ্কৰদেৱৰ সৰ্বশ্ৰেষ্ঠ নাট বোলা হৈছে, বিশ্লেষণ কৰাঁ। 20

*(b)* 'ৰাজসূয়' কাব্যখনত ময়দানৱৰ চৰিত্ৰটো অঙ্কন কৰোঁতে মাধৱদেৱে কাব্যিক প্ৰতিভাৰ পৰিচয় কেনেদৰে দিছে, ব্যাখ্যা কৰাঁ। 15

*(c)* 'গুৰু-চৰিত-কথা'ৰ আধাৰত মধ্যযুগৰ অসমৰ শিক্ষাব্যৱস্থা আৰু অৰ্থনৈতিক অৱস্থাৰ কি আভাস পোৱা যায়, আলোচনা কৰাঁ। 15

## SECTION—B

**5.** তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

(a) 'মোৰ জীৱন সোঁৱৰণ'ত বেজবৰুৱাৰ জন্ম-বিৱৰণ কিদৰে উপস্থাপিত হৈছে, তোমাৰ ভাষাত লিখাঁ।

(b) 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ত ব্যঙ্গৰ মাজেৰে অসমীয়া সমাজ-সংস্কাৰৰ কোনবোৰ দিশত আলোকপাত কৰিছিল, লিখাঁ।

(c) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'ত ৰোমাণ্টিক ভাৱধাৰাৰ কি কি আভাস পোৱা যায়, আলোচনা কৰাঁ।

(d) 'জীৱনৰ বাটত' উপন্যাসখনত ধৰণী মাষ্টৰৰ চৰিত্ৰটোৰ মাজেৰে গান্ধীবাদৰ আদৰ্শ কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ।

(e) 'গাঁওবুঢ়া' নাটকত ভোগমনৰ চৰিত্ৰটোৰ মাজেৰে ইংৰাজৰ কুশাসনৰ ছবি কিদৰে ফুটি ওলাইছে, লিখাঁ।

**6.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) তোমাৰ মতে 'মৃত্যুঞ্জয়' উপন্যাসখনৰ আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰটোৰ বিষয়ে এটা প্ৰবন্ধ ৰচনা কৰাঁ। 20

(b) 'কাৰেঙৰ লিগিৰী' নাটকখনৰ কাঞ্চনকুমাৰীৰ চৰিত্ৰটো চিত্ৰণত জ্যোতিপ্ৰসাদৰ প্ৰতিভা কিদৰে অভিব্যক্ত হৈছে, সম্যকভাৱে আলোচনা কৰাঁ। 15

(c) 'মনোমতী' উপন্যাসত লক্ষ্মীকান্ত আৰু মনোমতীৰ মিলন কেতিয়া, ক'ত আৰু কেনেকৈ হৈছিল, লিখাঁ। 15

**7.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) 'পুৰণি অসমীয়া সাহিত্য' পুথিখনত অসমৰ 'লৌকিক গীত' সম্পৰ্কে ড০ কাকতিয়ে কি কি দিশত আলোকপাত কৰিছে, স্পষ্টভাৱে আলোচনা কৰাঁ। 20

(b) 'গাঁওবুঢ়া' নাটকখনত প্ৰহসনৰ লক্ষণবোৰ কিদৰে পৰিস্ফুট হৈছে, বিচাৰ কৰাঁ। 15

(c) 'কাৰেঙৰ লিগিৰী' নাটকখনত অনঙ্গৰাম আৰু সুন্দৰ কোঁৱৰৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰাঁ। 15

**8.** তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *250* টা শব্দৰ ভিতৰত লিখিব লাগিব :

(a) 'পুৰণি অসমীয়া সাহিত্য'ৰ অন্তৰ্গত 'কাণখোৱা' নামৰ প্ৰবন্ধটোত আছে ''এপিনে ইয়াত শিশুজীৱনৰ নিকপটীয়া প্ৰাণৰ প্ৰতিবিম্ব পৰিছে, আনপিনে প্ৰশান্ত ভক্তিভাৱ পূৰ্ণচন্দ্ৰৰ নিচিনাকৈ বিৰাজ কৰিছে।'' এই উক্তিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰাঁ। 20

(b) '' 'জীৱনৰ বাটত' উপন্যাসখনিৰ মাজেদি প্ৰবাহিত হৈ আছে নিৰন্তৰ এটি ভাগ্যবাদী সুৰ।'' তগৰৰ জীৱনবৃত্তৰ আধাৰত এই কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ। 15

(c) নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাটোৰ মূল বক্তব্য কি, সম্যকভাৱে বিশ্লেষণ কৰাঁ। 15

★ ★ ★

CS (Main) Exam:2015

# ASSAMESE

## PAPER—II

## ( LITERATURE )

| Time Allowed : Three Hours | Maximum Marks : 250 |
| --- | --- |

## QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE question from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese Script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

*(a)* ৰামচন্দ্ৰৰ বনবাস যাত্ৰাৰ কথা শুনি ভৰতে কেনে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছিল, বিৱৰি লিখা।

*(b)* 'পাৰিজাত হৰণ' নাটকত নাৰীৰ স্বভাৱজনিত ঈৰ্ষা কেনেধৰণে প্ৰতিফলিত হৈছে, লিখা।

*(c)* মাধৱদেৱৰ বিৰচিত বৰগীতসমূহৰ মাজেদি কি ৰসৰ, কেনেধৰণৰ পৰিস্ফুৰণ ঘটিছে, আলোচনা কৰা।

*(d)* ''কৃষ্ণৰ বিপ্ৰিয় বাণী শুনি গোপীগণ।
পাইলন্ত দূৰন্ত চিন্তা বিমৰ্ষ বদন॥'' [ৰাস-ক্ৰীড়া]

শ্ৰীকৃষ্ণই গোপীসকলক কি কথা কৈছিল আৰু তাকে শুনি গোপীসকলে কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল, লিখা।

*(e)* 'কথা ভাগৱত'ৰ প্ৰথম স্কন্ধৰ বিষয়বস্তুৰ চমু আভাস দিয়া।

**2.** তলৰ তিনিটা প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

*(a)* মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ৰ মাজেৰে কৃষ্ণভক্তিৰ মাহাত্ম্য কিদৰে প্ৰকাশিত হৈছে, লিখা। 20

*(b)* 'ৰামায়ণ'ৰ (অযোধ্যা কাণ্ড) কাব্যিক সৌন্দৰ্যৰ বিষয়ে ফঁহিয়াই আলোচনা কৰা। 15

*(c)* মাধৱদেৱৰ বৰগীতত শিশু কৃষ্ণৰ চৰিত্ৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। 15

**3.** তলৰ তিনিটা প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

*(a)* 'গুৰু-চৰিত-কথা'ত কেইজন গুৰুৰ জীৱন-বৃত্তান্ত সন্নিৱিষ্ট হৈছে আৰু তাত মাধৱদেৱৰ বিষয়ে কি কি গুৰুত্বপূৰ্ণ কথা আছে, লিখা। 20

*(b)* 'গুৰু-চৰিত-কথা'ৰ আঁত ধৰি শংকৰদেৱে তেওঁৰ শৰণ-নীতি সম্পৰ্কে নৰনাৰায়ণৰ সম্মুখত কি কৈছিল, চমুকৈ লিখা। 15

*(c)* 'কথা-ভাগৱত'ৰ ভাষাগত বৈশিষ্ট্যৰ আভাস দিয়া। 15

**4.** তলৰ তিনিটা প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

*(a)* ''ধৰ্মৰ ৰক্ষক হুয়া মুৰাৰি।
ক্ৰীড়িলা কেনে পৰ গোপনাৰী॥
হোৱন্ত হৰি যদি পুণ্যকাম।
কৰিলা কেনে গৰহিত কাম॥'' [ৰাস-ক্ৰীড়া]

কোনে, কি প্ৰসঙ্গত এই প্ৰশ্ন উত্থাপন কৰিছিল আৰু উত্তৰত কি জানিবলৈ পাইছিল, লিখা। 20

*(b)* 'ৰাজসূয়' কাব্যত মাধৱদেৱৰ কবি-প্ৰতিভা কেনেদৰে প্ৰস্ফুটিত হৈছে, বিৱৰি লিখা। 15

*(c)* 'পাৰিজাত হৰণ' নাটৰ কাহিনীভাগ বিশ্লেষণ কৰি নাটকীয় তাৎপৰ্য ব্যাখ্যা কৰা। 15

## SECTION—B

**5.** তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখিব লাগিব : 10×5=50

*(a)* লক্ষ্মীনাথ বেজবৰুৱাই গুৱাহাটীৰ পৰা শিৱসাগৰলৈ নৌকাৰে যোৱাৰ সময়ত লাভ কৰা অভিজ্ঞতাৰ আভাস দিয়া।

*(b)* " 'প্ৰতিমা' চন্দ্ৰকুমাৰ আগৰৱালাৰ অনুপম ৰচনা।" কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি এক আলোচনা যুগুত কৰা।

*(c)* 'মনোমতী' উপন্যাসত বৰপেটাৰ দৌলোৎসৱ, বৈষ্ণৱ ৰীতি-নীতি, নামনিৰ বিয়াৰ কেনে ছবি ফুটি উঠিছে, বৰ্ণনা কৰা।

*(d)* 'পুৰণি অসমীয়া সাহিত্য'ৰ আধাৰত বৰগীতৰ সংজ্ঞা নিৰূপণ কৰি ইয়াক কিহৰ লগত ৰিজাব পাৰি, লিখা।

*(e)* 'জীৱনৰ বাটত' উপন্যাসত শাহু-বোৱাৰীৰ চিৰন্তন বৈৰীতা কেনেভাৱে স্নেহ-বন্ধনলৈ উত্তীৰ্ণ হৈছে, বিৱৰি লিখা।

**6.** তলৰ তিনিটা প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

*(a)* কৃপাবৰ বৰুৱাৰ 'কাকতৰ টোপোলা'ৰ কোনটো কাহিনীয়ে তোমাক বিশেষভাৱে আকৰ্ষিত কৰিছে, লিখা। 20

*(b)* 'গাঁওবুঢ়া' নাটকখন এখন প্ৰহসন নে হাস্যৰসাত্মক নাটক—যুক্তি সহকাৰে প্ৰতিপন্ন কৰা। 15

*(c)* 'মনোমতী' উপন্যাসৰ নাৰী চৰিত্ৰকেইটিৰ এক বিশ্লেষণ দাঙি ধৰা। 15

**7.** তলৰ তিনিটা প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

*(a)* 'মৃত্যুঞ্জয়' উপন্যাসৰ পটভূমি বিচাৰ কৰি এক আলোচনা যুগুত কৰা। 20

*(b)* 'কাৰেঙৰ লিগিৰী'ৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটিৰ মাজেদি কেনেকৈ পুৰণি ৰীতি-নীতিৰ বিৰোধী অথচ দুৰ্বল, আদৰ্শবাদী কিন্তু ভাবপ্ৰৱণ, আত্মকেন্দ্ৰিক অথচ উদাৰ মানসিকতাৰ প্ৰতিফলন ঘটিছে, বৰ্ণনা কৰা। 15

*(c)* 'গাঁওবুঢ়া' নাটকৰ ৰত্ন মৌজাদাৰ আৰু মণ্ডলা লগুৱা চৰিত্ৰ দুটিৰ বিষয়ে এটি টোকা লিখা। 15

**8.** তলৰ তিনিটা প্ৰশ্নৰ উত্তৰ লিখিব লাগিব :

*(a)* 'মৃত্যুঞ্জয়' উপন্যাসত স্বাধীনতা সংগ্ৰামীসকলৰ ওপৰত পুলিচ আৰু চিপাহীয়ে চলোৱা উৎপীড়নৰ কেনে প্ৰতিচ্ছবি ফুটি উঠিছে, বৰ্ণনা কৰা। 20

*(b)* 'সম্ৰাট' কবিতাৰ আধাৰত কবি নৱকান্ত বৰুৱাৰ কবি-প্ৰতিভা বিচাৰ কৰা। 15

*(c)* 'জীৱনৰ বাটত' উপন্যাসখনত কেনেদৰে উপমা, অলংকাৰ আৰু খণ্ডবাক্য ঠাহ খাই আছে—দুই-এটা উদাহৰণসহ লিখা। 15

★★★

CS (MAIN) Exam:2016

**M-ESC-D-ASM**

# অসমীয়া / ASSAMESE

**কাকত II / Paper II**

**( সাহিত্য ) / ( LITERATURE )**

| | |
|---|---|
| *নিৰ্ধাৰিত সময় : তিনি ঘণ্টা*<br>*Time Allowed :* ***Three Hours*** | *সৰ্বাধিক নম্বৰ :* ***250***<br>*Maximum Marks :* ***250*** |

## নিৰ্দেশনা

***প্ৰশ্নৰ উত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা :***

*প্ৰশ্নকাকত খনত* ***দুটা শাখাত আঠটা*** *প্ৰশ্ন দিয়া আছে ।*

*ইয়াৰ ভিতৰত কেৱল* ***পাঁচটা*** *প্ৰশ্নৰ উত্তৰ কৰা ।*

*প্ৰশ্ন নং.* ***1*** *আৰু* ***5*** *বাধ্যতামূলক । বাকী* ***তিনিটাৰ*** *প্ৰত্যেকটো শাখাৰ পৰা কমেও* ***এটাকৈ*** *বাচি লৈ উত্তৰ কৰা ।*

*প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে ।*

*প্ৰশ্নৰ উত্তৰ* ***অসমীয়াত*** *কৰা ।*

*শব্দৰ সংখ্যা য'ত যিধৰণে দিয়া হৈছে, সেইধৰণে কৰা ।*

*প্ৰশ্নৰ উত্তৰ সমূহ ক্ৰম অনুসৰি কৰা । আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হব । প্ৰশ্ন সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা ।*

## QUESTION PAPER SPECIFIC INSTRUCTIONS

***Please read each of the following instructions carefully before attempting questions :***

*There are* ***EIGHT*** *questions divided in* ***TWO SECTIONS****.*

*Candidate has to attempt* ***FIVE*** *questions in all.*

*Questions no.* ***1*** *and* ***5*** *are compulsory and out of the remaining, any* ***THREE*** *are to be attempted choosing at least* ***ONE*** *from each section.*

*The number of marks carried by a question / part is indicated against it.*

*Answers must be written in* ***ASSAMESE*** *(Assamese Script).*

*Word limit in questions, wherever specified, should be adhered to.*

*Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.*

## SECTION A

**Q1. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব লাগিব :** *10×5=50*

(a) মাধৱ কন্দলিৰ 'অযোধ্যা কাণ্ড' ৰ ৰামৰ বনগমনৰ কথাখিনি তোমাৰ ভাষাত লিখাঁ । *10*

(b) 'পাৰিজাত হৰণ' নাটৰ দুটি বিপৰীতধৰ্মী নাৰী চৰিত্ৰৰ বিশ্লেষণ আগবঢ়োৱাঁ । *10*

(c) " 'ৰাসক্ৰীড়া' ৰ মাজেৰে মূলতঃ শ্ৰীকৃষ্ণৰ ঐশ্বৰিক মাহাত্ম্যকে প্ৰধানভাৱে ফুটাই তোলা হৈছে ।" — কথাষাৰৰ যথাৰ্থতা প্ৰমান কৰাঁ । *10*

(d) মাধৱদেৱৰ 'বৰগীত'ৰ মাজেৰে শিশুকৃষ্ণৰ বাল্যকালৰ বৰ্ণনা পোৱা গ'লেও সি ভক্তিৰসলৈ উন্নীত হৈছে — কথাষাৰ বিশ্লেষণ কৰাঁ । *10*

(e) 'গুৰু-চৰিত-কথা' ত শঙ্কৰদেৱৰ জীৱনকথা কিদৰে বৰ্ণিত হৈছে লিখাঁ । *10*

**Q2. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) 'ৰাজসূয় কাব্য' ত যাদৱসকলৰ ইন্দ্ৰপ্ৰস্থ যাত্ৰাৰ বৰ্ণনাত মাধৱদেৱৰ কবি-প্ৰতিভা কেনেদৰে প্ৰকাশ হৈছে আলোচনা কৰাঁ । *20*

(b) 'কথাভাগৱত' দ্বিতীয় স্কন্ধৰ তৃতীয় অধ্যায়ত "সাধুৰ সঙ্গত হৰিকথা শুনিলে সযত্নে জ্ঞান হয় ।" বুলি কোৱা কথাষাৰ ব্যাখ্যা কৰাঁ । *15*

(c) 'গুৰু-চৰিত-কথা' ত তৎকালীন অসমৰ সামাজিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে লিখাঁ । *15*

**Q3. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) শঙ্কৰদেৱে 'পাৰিজাতহৰণ নাট'ৰ কাহিনীটো কোন কোন মূল গ্ৰন্থৰ পৰা গ্ৰহণ কৰিছে আৰু তেওঁ নিজস্ব নাটকীয় কলাকৌশল কিদৰে প্ৰয়োগ কৰিছে, আলোচনা কৰাঁ । *20*

(b) বৰগীত সমূহৰ মাজেৰে আধ্যাত্মিক ভাৱ কিদৰে প্ৰতিফলিত হৈছে মাধৱদেৱৰ বৰগীতৰ আধাৰত বিশ্লেষণ কৰাঁ । *15*

(c) 'কীৰ্তন ঘোষা' ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত গোপীসকলৰ কৃষ্ণপ্ৰেমৰ তাৎপৰ্য্য বিচাৰ কৰাঁ । *15*

**Q4. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) " 'কথা-ভাগৱত'ৰ গদ্যশৈলী অসমীয়া গদ্যৰ প্ৰথম স্তৰৰ চানেকি ।" — কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰা । *20*

(b) 'পাৰিজাত হৰণ' নাটখনত নাৰদৰ চৰিত্ৰটোৰ মাজেৰে সমাজ-জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে লিখা । *15*

(c) মাধৱ কন্দলিয়ে ৰামৰ বনগমনৰ সময়ত কৌশল্যা আৰু কৈকেয়ীৰ চৰিত্ৰ দুটাৰ কথোপকথন কিদৰে অঙ্কণ কৰিছে, আলোচনা কৰা । *15*

## SECTION B

**Q5. তলৰ পাঁচটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 150 টা শব্দৰ ভিতৰত লিখিব লাগিব :** *10×5=50*

(a) বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ' ত তেওঁ শৈশৱ জীৱনৰ কথা কিদৰে বৰ্ণাইছে আলোচনা কৰাঁ । *10*

(b) 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা' ত ফুটি উঠা হাস্য-ব্যঙ্গৰ ছৱিখন বিৱৰি লিখাঁ । *10*

(c) 'প্ৰতিমা' কাব্যপুথিৰ মাজেৰে কবি চন্দ্ৰকুমাৰৰ কবিপ্ৰতিভা কেনেদৰে ফুটি উঠিছে লিখাঁ । *10*

(d) 'গাঁওবুঢ়া' নাটকত সেই সময়ৰ অসমৰ সামাজিক চিত্ৰ কেনেদৰে ফুটি উঠিছে লিখাঁ । *10*

(e) 'মনোমতী' উপন্যাসৰ পটভুমি আৰু চৰিত্ৰ চিত্ৰণৰ বিশেষত্ব ব্যাখ্যা কৰাঁ । *10*

**Q6. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) 'পুৰুনি অসমীয়া সাহিত্য' গ্ৰন্থখনত ড. কাকতিয়ে 'বধকাব্য' শীৰ্ষক প্ৰবন্ধটোত বধকাব্যৰ মূল্যায়ন কিদৰে কৰিছে আলোচনা কৰাঁ । *20*

(b) 'কাৰেঙৰ লিগিৰী' নাটকৰ ''কাঞ্চনকুমাৰীৰ চৰিত্ৰ নিভাঁজ কেঁচা সোণৰ দৰে পৱিত্ৰ আৰু উজ্জ্বল ।'' — এই কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ । *15*

(c) 'মৃত্যুঞ্জয়' উপন্যাস খত ভাৰতীয় স্বাধীনতা আন্দোলনৰ কোনটোদিশ প্ৰতিবিম্বিত হৈছে আলোচনা কৰাঁ । *15*

**Q7. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) 'জীৱনৰ বাটত' – উপন্যাসখনৰ কমলাকান্ত আৰু ধৰনী মাষ্টৰৰ চৰিত্ৰ দুটা বিশ্লেষণ কৰাঁ । *20*

(b) 'সম্ৰাট' কবিতাৰ মাজেৰে মানুহৰ প্ৰেমৰ চিৰন্তন মহত্বৰ প্ৰতি গভীৰ আস্থা কিদৰে ফুটি উঠিছে, আলোচনা কৰাঁ । *15*

(c) ''ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ ভিতৰত 'মনোমতী' কে শ্ৰেষ্ঠ বুলিব পাৰি ।'' — এই কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰাঁ । *15*

**Q8. তলৰ তিনিটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ 250 টা শব্দৰ ভিতৰত লিখিব লাগিব :**

(a) " 'কাৰেঙৰ লিগিৰী' নাটখনত নাট্যকাৰে চৰিত্ৰ সৃষ্টিত দক্ষতাৰ পৰিচয় দিছে ।" — এই মন্তব্যৰ যথাৰ্থতা প্ৰতিপন্ন কৰাঁ । 20

(b) 'জীৱনৰ বাটত' উপন্যাসখনক অসমীয়া উপন্যাস সাহিত্যৰ এক মাইলৰ খুটি বুলিব পাৰি — কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰাঁ । 15

(c) " 'গাঁওবুঢ়া' অসমীয়া ধেমেলীয়া নাটৰ ভিতৰত উল্লেখযোগ্য ।" — কি কি কাৰণত এই মন্তব্য কৰা হৈছে, আলোচনা কৰাঁ । 15

# ASSAMESE

## PAPER—II

## ( LITERATURE )

নিৰ্ধাৰিত সময় : তিনি ঘণ্টা | সৰ্বাধিক নম্বৰ : 250

**প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা**

**প্ৰশ্নৰ উত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা**

প্ৰশ্নকাকতখনত দুটা শাখাত আঠটা প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্ৰশ্নৰ উত্তৰ কৰা।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাচি লৈ উত্তৰ কৰা।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰা।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰা।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰা। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা।

# ASSAMESE

## PAPER—II

## ( LITERATURE )

Time Allowed : Three Hours | Maximum Marks : 250

**QUESTION PAPER SPECIFIC INSTRUCTIONS**

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese Script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখা : 10×5=50

*(a)* মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ 'অযোধ্যা কাণ্ড'ত ৰামৰ অভিষেকৰ বতৰা পোৱাৰ পিছত মন্থৰাই কৈকেয়ীক কি মন্ত্ৰণা দিছিল, বিৱৰি লিখা।

*(b)* শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটত নাৰদ চৰিত্ৰটিয়ে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰিছে, তোমাৰ ভাষাত লিখা।

*(c)* 'ৰাসক্ৰীড়া'ক মহাপুৰুষে 'কামজয় নামে ইটো কেশৱৰ কেলি' বুলি কিদৰে প্ৰতিপন্ন কৰিছে, বিচাৰ কৰা।

*(d)* "বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্ত জীৱনৰ সৰ্বস্ব।" মাধৱদেৱৰ বৰগীতৰ আধাৰত এই কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা।

*(e)* 'কথা-ভাগৱত'ৰ আধাৰত কবিৰত্ন বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ গদ্যৰীতিৰ প্ৰধান বিশেষত্বসমূহ চমুকৈ লিখা।

**2.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

*(a)* 'গুৰুচৰিত-কথা'ত সমকালীন অসমৰ ধৰ্মীয় আৰু সামাজিক জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰা। 20

*(b)* 'ৰাজসূয়' কাব্যখনৰ মাজেৰে মাধৱদেৱৰ কবিত্ব শক্তিৰ পৰিচয় কেনেদৰে ফুটি ওলাইছে, আলোচনা কৰা। 15

*(c)* মাতৃ কৌশল্যাৰ বুজনি যুক্তিৰে খণ্ডন কৰি ৰামে বনলৈ যাবলৈ প্ৰস্তুত হোৱাৰ সময়ত কৌশল্যাই কিৰূপে পুত্ৰক আশীৰ্বাদ দিছিল, 'অযোধ্যা কাণ্ড'ৰ আলমত বিচাৰ কৰা। 15

**3.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

*(a)* "শংকৰদেৱে 'পাৰিজাত হৰণ' নাটৰ নাৰী চৰিত্ৰকেইটা পাৰস্পৰিক বৈপৰীত্য (contrast) আৰু সমধৰ্মিতা (parallelism)-ৰ আধাৰত অংকন কৰিছে।" এই কথাষাৰৰ তাৎপৰ্য স্পষ্টভাৱে বুজাই লিখা। 20

*(b)* 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধত ভট্টদেৱে হৰি ভক্তিৰ মহিমা কিদৰে ব্যক্ত কৰিছে, বহলাই লিখা। 15

*(c)* "বৰগীতবোৰ ওখ নৈতিক আৰু আধ্যাত্মিক ভাৱৰ ওপৰত প্ৰতিষ্ঠিত।" বাণীকান্ত কাকতিয়ে কৰা উক্ত মন্তব্যৰ তাৎপৰ্য বিচাৰ কৰা। 15

**4.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

*(a)* 'গুৰুচৰিত-কথা'ৰ আধাৰত মাধৱদেৱৰ গুৰু-সেৱাৰ কেইটিমান নিদৰ্শন দাঙি ধৰি তেওঁৰ গুৰু-ভক্তিৰ পৰিচয় দিয়া। 20

(b) 'ৰাজসূয়' কাব্যত ক'ত, কেনেদৰে একশৰণ ভক্তিৰ প্ৰকাশ ঘটিছে, উদাহৰণসহ আলোচনা কৰা। 15

(c) ''শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আকে শুনি হোক নিৰ্ম্মল মতি॥''

'কীৰ্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত সন্নিৱিষ্ট উক্ত পদ দুফাঁকিৰ তাৎপৰ্য বিশ্লেষণ কৰা। 15

## SECTION—B

**5.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখা : 10×5=50

(a) বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত বৰপেটাৰ কোনকেইটা স্মৃতিৰ বিষয়ে লিপিবদ্ধ কৰিছে, তোমাৰ ভাষাৰে লিখা।

(b) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'ত ৰোমাণ্টিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, আলোচনা কৰা।

(c) 'কাৰেঙৰ লিগিৰী' নাটকৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটিৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ বিচাৰ কৰা।

(d) 'মৃত্যুঞ্জয়' উপন্যাসৰ মাজেৰে তদানীন্তন অসমীয়া সমাজৰ প্ৰতিচ্ছবি কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(e) নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাত দৃষ্টিহীন সম্ৰাটৰ মানসিক গ্লানিৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে, বিৱৰি লিখা।

**6.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) মহাকাব্যিক উপন্যাস হিচাপে 'জীৱনৰ বাটত' উপন্যাসখনিৰ এটি পৰ্যালোচনা আগবঢ়োৱা। 20

(b) 'গাঁওবুঢ়া' নাটকত ভোগমন গাঁওবুঢ়াৰ জীৱনৰ কাৰুণ্য আৰু দুৰ্দশাৰ ছবি কেনেদৰে ৰূপায়িত হৈছে, বিৱৰি লিখা। 15

(c) 'মনোমতী' উপন্যাসত মানৰ আক্ৰমণৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, ফঁহিয়াই লিখা। 15

**7.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

(a) ''নামঘোষাত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ-সাগৰৰ ফালে প্ৰৱাহমান হৈছে—পুণ্যশ্লোক শংকৰ-স্মৃতি, মাধৱদেৱৰ আত্ম-লঘিমা আৰু কৃষ্ণ-ভক্তি মাহাত্ম্য।'' 'নামঘোষা' প্ৰবন্ধৰ আলমত উক্ত কথাফাঁকিৰ তাৎপৰ্য ব্যাখ্যা কৰা। 20

(b) 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা'ত বিমল হাস্যৰস আৰু তীব্ৰ ব্যঙ্গই কেনেদৰে সহাৱস্থান কৰিছে, বুজাই লিখা। 15

(c) 'জীৱনৰ বাটত' উপন্যাসখনত সেই সময়ৰ সামাজিক জীৱনৰ কেনে চিত্ৰ ফুটি উঠিছে তাৰ আভাস দিয়া। 15

**8.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ কৰা :

*(a)* ''ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' নামৰ উপন্যাসখনত পুৰুষ চৰিত্ৰৰ প্ৰাধান্য বিশেষভাৱে লক্ষ্য কৰা যায়।'' উক্ত কথাখিনিৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। 20

*(b)* নৱকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাত আধুনিক কবিতাৰ কি কি বৈশিষ্ট্য প্ৰকাশ পাইছে, বৰ্ণনা কৰা। 15

*(c)* 'কাৰেঙৰ লিগিৰী' নাটকৰ শেৱালি চৰিত্ৰটিৰ আত্মত্যাগৰ মাজেদি প্ৰেমৰ মহত্ব কেনেদৰে প্ৰকাশ পাইছে, বিশদভাৱে বিশ্লেষণ কৰা। 15

★★★

# অসমীয়া

## প্ৰশ্নকাকত—II

## ( সাহিত্য )

| সময় : 3 ঘণ্টা | সৰ্বাধিক নম্বৰ : 250 |
|---|---|

**প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা**

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা**

প্ৰশ্নকাকতখনত দুটা শাখাত আঠটা প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্ৰশ্নৰ উত্তৰ কৰা।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাচি লৈ উত্তৰ কৰা।

প্ৰতিটো প্ৰশ্নৰ মূল্যাংক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰা।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰা।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰা। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰো মূল্যাংকন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা।

# ASSAMESE

## PAPER—II

## ( LITERATURE )

| Time Allowed : Three Hours | Maximum Marks : 250 |
|---|---|

**QUESTION PAPER SPECIFIC INSTRUCTIONS**

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখা : 10×5=50

(a) বৰগীতৰ সংজ্ঞা নিৰূপণ কৰি মাধৱদেৱৰ বৰগীতৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(b) শংকৰদেৱৰ ছয়খন নাটকৰ ভিতৰত 'পাৰিজাত হৰণ'ক কি কি কাৰণত শ্ৰেষ্ঠ বুলি কোৱা হয়, বিশ্লেষণ কৰা।

(c) "কথাগীতা আৰু কথা-ভাগৱতৰ গদ্য তৎসম শব্দৰ দ্বাৰা ভাৰাক্ৰান্ত।" বাণীকান্ত কাকতিয়ে বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ ভাষাৰ বিষয়ে কৰা এই মন্তব্যৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(d) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত সমসাময়িক সমাজ-জীৱনৰ চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে তাৰ এটি বিশ্লেষণ আগবঢ়োৱা।

(e) 'গুৰুচৰিত-কথা'ৰ গদ্যৰীতিৰ বিষয়ে এটি সমীক্ষা আগবঢ়োৱা।

**2.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) 'কীৰ্ত্তন-ঘোষা'ত শংকৰদেৱে ৰাসক্ৰীড়াৰ বৰ্ণনা দিবলৈ যোৱাৰ আগতে প্ৰকৃতি জগতৰ, বিশেষকৈ শৰৎ কালৰ মধুৰ পূৰ্ণিমাৰ মনোৰম চিত্ৰ কেনেদৰে অঙ্কন কৰিছে তাৰ এটি আলোচনা আগবঢ়োৱা। 20

(b) মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ত শ্ৰীকৃষ্ণই সমদলে দ্বাৰকাৰ পৰা ইন্দ্ৰপ্ৰস্থলৈ যোৱাৰ বিৱৰণটো তোমাৰ ভাষাত লিখা। 15

(c) অসমত চৰিত তোলা প্ৰথা ক'ত, কেনেদৰে আৰম্ভ হ'ল সেই বিষয়ে উল্লেখ কৰি মুখ্য চৰিত-পুথি কেইখনমানৰ বিষয়ে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰা। 15

**3.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) "মাধৱদেৱৰ বৰগীতসমূহ ভক্তপ্ৰাণৰ মৰ্মস্পৰ্শী প্ৰকাশ। দাস্য আৰু বাৎসল্য এই দুয়োটা ভাৱেৰেই বৰগীত তেওঁ ৰচনা কৰিছিল যদিও বাৎসল্য ভাৱৰ গীত অধিক।" এই মন্তব্যৰ আধাৰত মাধৱদেৱৰ বৰগীতত দাস্য আৰু বাৎসল্য ভাৱ কেনেদৰে নিহিত হৈ আছে তাৰ এটি বিশ্লেষণ কৰা। 20

(b) শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটকৰ নাট্যবস্তু বিকাশত পাৰিজাত ফুলপাহে কি ভূমিকা পালন কৰিছে, আলোচনা কৰা। 15

(c) বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ 'কথা-ভাগৱত'ৰ দ্বিতীয় স্কন্ধৰ যোগেদি শ্ৰীকৃষ্ণৰ মাহাত্ম্য কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰা। 15

**4.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) শংকৰদেৱ বিৰচিত 'কীৰ্ত্তন-ঘোষা'ৰ ৰাসক্ৰীড়া অধ্যায়ত কি কি ৰসৰ উদ্ৰেক ঘটিছে, উদাহৰণসহ আলোচনা কৰা। 20

(b) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত ৰামচন্দ্ৰই অভিষেকৰ সলনি পত্নী সীতা আৰু ভ্ৰাতৃ লক্ষ্মণৰ সৈতে কেনেদৰে বনবাসলৈ যাব লগা হ'ল সেই কথাৰ বিৱৰণ দিয়াঁ। 15

(c) মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ত ছন্দ আৰু অলংকাৰ প্ৰয়োগৰ যোগেদি মাধৱদেৱৰ কবি-প্ৰতিভা কেনেদৰে প্ৰকাশ পাইছে, বিশ্লেষণ কৰাঁ। 15

## SECTION—B

**5.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে উল্লেখ কৰাঁ।

(b) কবি হিচাপে নৱকান্ত বৰুৱাৰ পৰিচয় দি 'সম্ৰাট' কবিতাটিৰ বিষয়বস্তুৰ আভাস দিয়াঁ।

(c) লক্ষ্মীনাথ বেজবৰুৱাক ভূমিষ্ঠ নহৈ কিয় নৌকাঙ্ক হোৱা বুলি কোৱা হয়, ব্যাখ্যা কৰাঁ। লগতে তেওঁৰ নামটো কিয় লক্ষ্মীনাথ হ'ল তাৰ কাৰণটোও লিখাঁ।

(d) কি পটভূমিত ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসখনিৰ কাহিনীভাগ গঢ় লৈ উঠিছে, বিচাৰ কৰাঁ।

(e) বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য' শীৰ্ষক গ্ৰন্থখনিৰ অন্তৰ্গত 'নাম-ঘোষা' নামৰ প্ৰবন্ধটিত মাধৱদেৱৰ প্ৰতিভাক কেনেদৰে পৰিচয় কৰাই দিয়া হৈছে সেই বিষয়ে এটি আভাস দিয়াঁ।

**6.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) জ্যোতিপ্ৰসাদ আগৰৱালাৰ 'কাৰেঙৰ লিগিৰী' নাটকত পুৰণিৰ লগত নতুনৰ সংঘাতৰ চিত্ৰ কেনেদৰে অঙ্কন কৰা হৈছে তাৰ এটি সমীক্ষা আগবঢ়োৱাঁ। 20

(b) আত্মজীৱনীৰ বৈশিষ্ট্যসমূহ লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত কিমানখিনি প্ৰতিফলিত হৈছে, বিচাৰ কৰাঁ। 15

(c) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' নামৰ কবিতাপুথিত ৰোমাণ্টিক ভাবাদৰ্শ কিদৰে ফুটি উঠিছে, লিখাঁ। 15

**7.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) "হাস্যৰসৰ অন্তৰালত থকা কাৰুণ্যৰ এটি ক্ষীণ স্ৰোতে নাটকখনক (গাঁওবুঢ়া) আকৰ্ষণীয় কৰি তুলিছে।" এই মন্তব্যৰ আঁত ধৰি 'গাঁওবুঢ়া' নাটকত হাস্য আৰু কাৰুণ্যৰ চিত্ৰ কেনেদৰে প্ৰয়োগ ঘটিছে, বিশ্লেষণ কৰাঁ। 20

(b) বেজবৰুৱাই 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ যোগেদি অসমীয়া মানুহ আৰু অসমীয়া সমাজৰ দোষ-ত্ৰুটীবোৰ কেনেদৰে উদঙাই দিছে, উদাহৰণসহ দেখুৱাই দিয়াঁ। 15

(c) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসৰ নাৰী চৰিত্ৰকেইটিৰ বিষয়ে এটি সমীক্ষা আগবঢ়োৱাঁ। 15

**8.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* '' 'জীৱনৰ বাটত' উপন্যাসখনত নতুন জীৱন ধাৰাৰ প্ৰতিনিধিবিলাক আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ। অৰ্থাগম আৰু প্ৰতিষ্ঠাই সিহঁতৰ জীৱনৰ মূল মন্ত্ৰ।'' উপন্যাসখনৰ কোনকেইটা চৰিত্ৰত এই বৈশিষ্ট্যসমূহ দেখিবলৈ পোৱা যায়-সেই বিষয়ে এটি আলোচনা প্ৰস্তুত কৰাঁ। 20

*(b)* বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসত বৈষ্ণৱ ধৰ্ম তথা সত্ৰীয়া পৰিৱেশৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, বিচাৰ কৰাঁ। 15

*(c)* 'পুৰণি অসমীয়া সাহিত্য' শীৰ্ষক গ্ৰন্থখনিৰ আধাৰত বাণীকান্ত কাকতিক সাহিত্যৰ সমালোচক হিচাপে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰাঁ। 15

* * *

# অসমীয়া

## প্ৰশ্নকাকত—II

## ( সাহিত্য )

সময় : 3 ঘণ্টা

সৰ্বাধিক নম্বৰ : 250

### প্ৰশ্নোত্তৰ বহী সম্পৰ্কীয় বিশেষ নিৰ্দেশনা

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা**

প্ৰশ্নকাকতখনত দুটা শাখাত আঠটা প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্ৰশ্নৰ উত্তৰ কৰা।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাচি লৈ উত্তৰ কৰা।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰা।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰা।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰা। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা।

# ASSAMESE

## PAPER—II

## ( LITERATURE )

Time Allowed : Three Hours

Maximum Marks : 250

### QUESTION PAPER SPECIFIC INSTRUCTIONS

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখা : 10×5=50

(a) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ৰ ৰামচন্দ্ৰক যুৱৰাজ পতাৰ প্ৰস্তাৱ আৰু অভিষেকৰ আয়োজন সম্পৰ্কীয় বৰ্ণনাখিনি তোমাৰ নিজৰ ভাষাত দাঙি ধৰা।

(b) 'পাৰিজাত হৰণ' নাটৰ মূল উল্লেখ কৰা আৰু নাটখনৰ কোন কোন দিশত নাট্যকাৰে মৌলিক প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছে, বিচাৰ কৰা।

(c) "ৰাসক্ৰীড়াত বৰ্ণিত গোপীসকলৰ ভক্তিক সকলো বৈষ্ণৱেই আদৰ্শ ভক্তি বুলি জ্ঞান কৰিছে।" কথাষাৰৰ তাৎপৰ্য বিশ্লেষণ কৰা।

(d) মাধৱদেৱৰ বৰগীতৰ মাজেৰে শিশুকৃষ্ণৰ দুমুখীয়া ব্যক্তিত্ব ক'ত, কেনেদৰে ফুটি উঠিছে, বিচাৰ কৰা।

(e) 'গুৰুচৰিত-কথা'ৰ আধাৰত শংকৰদেৱৰ বাল্যকাল সম্বন্ধে এটি আলোচনা আগবঢ়োৱা।

**2.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) "মাধৱদেৱৰ বাৎসল্য আৰু দাস্যভাবপ্ৰধান অন্যান্য ৰচনাসমূহৰ তুলনাত 'ৰাজসূয়' কাব্যত প্ৰায় সকলো ৰসৰ সমাহাৰ ঘটিছে।" মন্তব্যটিৰ আধাৰত 'ৰাজসূয়' কাব্যৰ ৰসসৌন্দৰ্যৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা। 20

(b) বৈকুণ্ঠনাথ ভট্টাচাৰ্য্যৰ গদ্যৰীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? কোনো কোনোৱে ভট্টদেৱৰ গদ্যৰীতি কৃত্ৰিম বুলি ক'ব খোজে। এই সন্দৰ্ভত তোমাৰ মতামত কি, উদাহৰণসহ বুজাই লিখা। 15

(c) 'পাৰিজাত হৰণ' নাটৰ নাৰদ আৰু সত্যভমা চৰিত্ৰ দুটাৰ বিষয়ে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা। 15

**3.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) "'অযোধ্যাকাণ্ড' মাধৱ কন্দলিৰ কাব্যিক প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন।" এই উক্তিৰ সাৰ্থকতা প্ৰতিপন্ন কৰি এটি আলোচনা আগবঢ়োৱা। 20

(b) "'গুৰুচৰিত-কথা'ৰ গদ্য মধ্যযুগৰ অসমীয়া গদ্য সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন।" কথাষাৰ ব্যাখ্যা কৰি এটি নিবন্ধ যুগুত কৰা। 15

(c) মাধৱদেৱৰ 'ৰাজসূয়' কাব্যৰ কৃষ্ণ চৰিত্ৰত কেনেদৰে পৰমপুৰুষত্ব আৰোপিত হৈছে, বিশ্লেষণ কৰি দেখুওৱা। 15

**4.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ৰ জৰিয়তে শংকৰদেৱৰ কাব্য-প্ৰতিভা বিচাৰ কৰা। 20

(b) "মাধৱদেৱৰ বৰগীতৰ বৈশিষ্ট্য কৃষ্ণৰ বাল্যজীৱনৰ ছবি অংকন।" মন্তব্যটি উদাহৰণসহ বিচাৰ কৰা। 15

(c) বৈকুণ্ঠনাথ ভট্টাচাৰ্য্যৰ 'কথাভাগৱত'ৰ অনুবাদৰীতি সম্পৰ্কে তোমাৰ পাঠ্যক্ৰমৰ আধাৰত এটি আলোচনা আগবঢ়োৱা। 15

## SECTION—B

**5.** তলৰ পাঁচোটা প্ৰশ্নৰ প্ৰতিটোৰ উত্তৰ *150*টা শব্দৰ ভিতৰত লিখা : 10×5=50

(a) বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত লখীমপুৰৰ স্মৃতি বৰ্ণনা কৰোঁতে সিদ্ধেশ্বৰ সোণাৰি আৰু দুৰ্গেশ্বৰ শৰ্মাৰ বিষয়ে উল্লেখ কৰা কথাখিনিৰ আভাস দিয়া।

(b) ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসত থকা ঐতিহাসিক চৰিত্ৰকেইটাৰ বিষয়ে আলোচনা কৰা।

(c) 'জীৱনৰ বাটত' উপন্যাসৰ তগৰ চৰিত্ৰটিৰ বিষয়ে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱা।

(d) ৰোমাণ্টিক কবিতাৰ পটভূমিত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতাৰ বিষয়ে এটি নিবন্ধ যুগুত কৰা।

(e) "পদ্মনাথ গোহাঞি বৰুৱাৰ 'গাঁওবুঢ়া' নাটখনত প্ৰহসনৰ লক্ষণ দুই এটা আছে যদিও বেছি ভাগ লক্ষণ লঘু কমেদিৰ লগতহে মিলে।" 'গাঁওবুঢ়া' নাটকৰ আধাৰত মন্তব্যটি বিচাৰ কৰা।

**6.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) " 'কাৰেঙৰ লিগিৰী' অসমীয়া নাট-কাৰেঙৰ লেখৰ লিগিৰী মাথোন নহয়, সেই কাৰেঙৰ সবাতো ধুনীয়া কুঁৱৰী, যাৰ সমুখত নাটঘৰৰ সকলো তীৰ্থযাত্ৰীয়ে আঁঠু লয়।" কথাষাৰৰ আধাৰত কাৰেঙৰ লিগিৰীৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। 20

(b) বেজবৰুৱাৰ 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা' গ্ৰন্থখনক হাস্য-ব্যঙ্গ সাহিত্য হিচাপে বিচাৰ কৰি এটি নিবন্ধ যুগুত কৰা। 15

(c) 'সম্ৰাট' কবিতাটিৰ আধাৰত নৱকান্ত বৰুৱাৰ কাব্য-বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। 15

**7.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

(a) পৰম্পৰাগত উপন্যাস (Traditional Novel) হিচাপে 'জীৱনৰ বাটত' উপন্যাসৰ এটি পৰ্যালোচনা দাঙি ধৰা। 20

(b) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ 'মৃত্যুঞ্জয়' উপন্যাসখনৰ মাজেৰে ভাৰতীয় স্বাধীনতা আন্দোলনৰ সাধনা আৰু সংঘাতৰ ছবিখন কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা। 15

(c) "আমাৰ বধকাব্যবোৰক আদৰ্শাত্মক হিচাপে ৰোমাঞ্চ কাব্যৰ লগত আৰু পৌৰাণিক হিচাপে গ্ৰীক-পৌৰাণিক বীৰ-সকলৰ কাহিনীৰ লগত তুল্যভাৱে ৰিজাব পাৰি।" উক্ত মন্তব্যটি বাণীকান্ত কাকতিৰ 'বধকাব্য' প্ৰবন্ধৰ আলমত বিচাৰ কৰা। 15

**8.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখা :

*(a)* বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত তেজপুৰৰ কি চাৰিটা কথা মনত থকা বুলি উল্লেখ কৰিছে দাঙি ধৰা আৰু তেওঁলোকে ভাত খাওঁতে মজিয়াত অনুষ্ঠিত সভাখনৰ বৰ্ণনা দিয়া। 20

*(b)* 'গাঁওবুঢ়া' নাটকৰ আধাৰত সেই সময়ৰ অসমত প্ৰচলিত প্ৰশাসনীয় ব্যৱস্থাত গাঁওবুঢ়াৰ ভূমিকা আৰু তেওঁৰ আৰ্থ-সামাজিক নিৰাপত্তা সম্পৰ্কত নাটখনত উন্মোচিত হোৱা দুৰ্ভাগ্যজনক দিশ সম্পৰ্কে আলোচনা কৰা। 15

*(c)* 'পুৰণি অসমীয়া সাহিত্য' গ্ৰন্থখনৰ আধাৰত বাণীকান্ত কাকতিৰ সমালোচনাৰীতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। 15

★ ★ ★

# অসমীয়া

## প্ৰশ্নকাকত—II

( সাহিত্য )

| সময় : 3 ঘণ্টা | সৰ্বাধিক নম্বৰ : 250 |
|---|---|

**প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নিৰ্দেশনা**

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱা**

প্ৰশ্নকাকতখনত দুটা শাখাত আঠটা প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল পাঁচটা প্ৰশ্নৰ উত্তৰ কৰা।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী তিনিটাৰ কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও এটাকৈ বাচি লৈ উত্তৰ কৰা।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ অসমীয়াত কৰা।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰা।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰা। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰৰো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰা।

# ASSAMESE

## PAPER—II

( LITERATURE )

| Time Allowed : Three Hours | Maximum Marks : 250 |
|---|---|

**QUESTION PAPER SPECIFIC INSTRUCTIONS**

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

*(a)* পিতৃৰ মৃত্যু আৰু ৰামচন্দ্ৰৰ বনবাসৰ কথা শুনি ভৰতে কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল?

*(b)* সত্যভামাৰ কি কাৰণে ঈৰ্ষা জন্মিছিল আৰু সেই ঈৰ্ষাৰ জুই কেনেকৈ নিৰ্বাপিত হৈছিল?

*(c)* মাধৱদেৱে ৰচনা কৰা বৰগীতসমূহৰ মাজেৰে প্ৰধানকৈ কি ৰসৰ পৰিস্ফুৰণ ঘটিছিল আৰু সেই ৰস কিহলৈ উত্তীৰ্ণ হৈছিল?

*(d)* ৰাসক্ৰীড়াৰ সময়ত শ্ৰীকৃষ্ণই গোপিনীসকলক কি অপ্ৰিয় বাণী শুনাইছিল আৰু ফলত কি হৈছিল?

*(e)* 'কথা ভাগৱত'ত বৰ্ণিত ভাগৱতৰ দশ লক্ষণ কি কি?

**2.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* 'ৰাজসূয় কাব্য'ৰ ইন্দ্ৰপ্ৰস্থ আৰু সুধৰ্মা সভাৰ বৰ্ণনাত মাধৱদেৱৰ কাব্য-প্ৰতিভা কেনেদৰে পৰিস্ফুট হৈছে, আলোচনা কৰাঁ। 20

*(b)* 'কথা ভাগৱত'ৰ আলমত ভট্টদেৱৰ গদ্যৰীতিৰ বিষয়ে এটি প্ৰৱন্ধ যুগুত কৰাঁ। 15

*(c)* 'গুৰুচৰিত কথা'ৰ আলমত শংকৰদেৱ আৰু মহাৰাজ নৰনাৰায়ণৰ বাৰ্তালাপৰ আভাস দিয়াঁ। 15

**3.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* ''ভৈলন্ত মণ্ডলাকাৰ হাতে গলে ধৰি।
সবে বোলে মোকসে আলিঙ্গি আছে হৰি।''

এই কথাষাৰৰ পটভূমি আৰু তাৎপৰ্য ব্যাখ্যা কৰা। 20

*(b)* 'ৰাজসূয় কাব্য'ৰ ময়দানৱ চৰিত্ৰটি বিশ্লেষণ কৰাঁ। 15

*(c)* 'গুৰুচৰিত কথা'ৰ আধাৰত মধ্যযুগৰ অসমৰ সামাজিক আৰু অৰ্থনৈতিক অৱস্থাৰ আভাস দিয়াঁ। 15

4. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'পাৰিজাত হৰণ' নাটখনক শংকৰদেৱৰ সৰ্বশ্ৰেষ্ঠ নাট বোলাৰ যথাৰ্থতা আলোচনা কৰাঁ। 20

(b) 'গুৰুচৰিত কথা'ৰ গদ্যৰীতিৰ আভাস দিয়াঁ। 15

(c) ৰামায়ণৰ 'অযোদ্ধা কাণ্ড'ৰ কাব্যিক সৌন্দৰ্যৰ সম্যক আভাস দিয়াঁ। 15

## SECTION—B

5. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত হ'ব লাগিব : 10×5=50

(a) 'মোৰ জীৱন সোঁৱৰণ'ৰ আধাৰত বেজবৰুৱাই পিতৃৰ সৈতে নামনিৰ পৰা উজনিলৈ কৰা নৌকাযাত্ৰাৰ অভিজ্ঞতাৰ বৰ্ণনা কৰাঁ।

(b) 'মনোমতী' উপন্যাসত লক্ষ্মীকান্ত আৰু মনোমতীৰ মিলন ক'ত, কেতিয়া আৰু কেনেকৈ হৈছিল?

(c) 'গাঁওবুঢ়া' নাটকত নাট্যকাৰে কেনেদৰে হাস্যৰস সৃষ্টি কৰিছিল?

(d) 'সম্ৰাট'ত কবিয়ে কাৰ কথা বৰ্ণনা কৰিছে আৰু তেওঁ কিহৰ কাৰণে অনুশোচনা কৰিছে?

(e) 'মৃত্যুঞ্জয়'ত ৰেল বগৰোৱাৰ পৰিকল্পনা কোনে, ক'ত আৰু কেনেকৈ কৰিছিল?

6. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) " 'জীৱনৰ বাটত' উপন্যাসৰ কাহিনীত অদৃষ্টবাদৰ ছায়া সুস্পষ্ট।" কথাষাৰৰ যথাৰ্থতা বিশ্লেষণ কৰাঁ। 20

(b) 'কাৰেঙৰ লিগিৰী'ত কাঞ্চনমতীৰ চৰিত্ৰটি কেনেদৰে চিত্ৰিত কৰা হৈছে? 15

(c) 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ কোনটো কাহিনীয়ে তোমাক মোহিত কৰিছে আৰু কিয়? 15

7. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'জীৱনৰ বাটত' উপন্যাসত পুৰণি আৰু নতুন চিন্তা-ভাবনাৰ বিৰোধ কেনেদৰে প্ৰকাশ কৰা হৈছে, আলোচনা কৰাঁ। 20

(b) 'প্ৰতিমা' কবিতাটিৰ বৈশিষ্ট্যৰ বিষয়ে আলোচনা কৰাঁ। 15

(c) মনোমতী চৰিত্ৰটি বিশ্লেষণ কৰাঁ। 15

**8.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* ‘পুৰণি অসমীয়া সাহিত্য’ৰ আলমত ‘বৰগীত’ সম্বন্ধে বহলাই আলোচনা কৰাঁ। 20

*(b)* ‘কাৰেঙৰ লিগিৰী’ৰ সুন্দৰ কোঁৱৰৰ মানসিক দ্বন্দ্বৰ বিশ্লেষণ কৰাঁ। 15

*(c)* ‘সম্ৰাট’ কবিতাটি আধুনিক কবিতাৰ শাৰীত পৰেনে? শব্দচয়ন, ছন্দ আৰু ভাবৰ আধাৰত বিশ্লেষণ কৰাঁ। 15

★ ★ ★

CIVIL SERVICES (MAIN) EXAM-2022

CRNA–S–ASSM

# অসমীয়া

**প্ৰশ্নকাকত—II**

( সাহিত্য )

নিৰ্ধাৰিত সময় : 3 ঘণ্টা

সৰ্বাধিক নম্বৰ : 250

**প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নিৰ্দেশনা**

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ**

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** কাৰণে প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

# ASSAMESE

PAPER—II

( LITERATURE )

Time Allowed : Three Hours

Maximum Marks : 250

**QUESTION PAPER SPECIFIC INSTRUCTIONS**

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, any THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

1. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) মাধৱ কন্দলিৰ ৰামায়ণৰ 'অযোধ্যাকাণ্ড'ৰ আধাৰত ৰামচন্দ্ৰৰ অভিষেকৰ বাবে সজাই তোলা অযোধ্যাৰ বৰ্ণনা কৰি এটা টোকা লিখাঁ।

(b) 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত কি কি ৰসৰ সমাৱেশ হৈছে, উদাহৰণসহ আলোচনা কৰাঁ।

(c) মাধৱদেৱৰ বৰগীতত বাৎসল্য প্ৰেম সম্পৰ্কে এটি নিবন্ধ লিখাঁ।

(d) 'কথা-ভাগৱত'ৰ তোমাৰ নিৰ্বাচিত পাঠৰ আধাৰত শ্ৰীকৃষ্ণৰ মাহাত্ম্য কিদৰে ফুটি উঠিছে, নিজৰ ভাষাত বৰ্ণনা কৰাঁ।

(e) 'গুৰু-চৰিত-কথা'ত শংকৰদেৱৰ জন্ম আৰু বাল্যকালছোৱা কিদৰে অংকন কৰা হৈছে, এটি আলোচনা যুগুতোৱাঁ।

2. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) শ্ৰীমন্ত শংকৰদেৱৰ 'পাৰিজাত হৰণ' নাটৰ মুখ্য নাৰী চৰিত্ৰসমূহৰ মাজত কিদৰে স্বভাৱৰ বৈপৰীত্য আৰু সমধৰ্মিতা প্ৰকাশ পাইছে, আলোচনা কৰাঁ। 20

(b) ''ৰাজসূয়ৰ ভাষা প্ৰাঞ্জল অসমীয়া আৰু সংস্কৃতিৰ পৰিচায়ক। পদৰ লালিত্য, অলংকাৰৰ মাধুৰ্য্য, ভাৱৰ গাম্ভীৰ্য্য, চিত্ৰৰ সৌন্দৰ্য্য আৰু ভক্তিৰ প্ৰাচুৰ্য্যই ইয়াক বাস্তৱিকতে মনোৰম কৰিছে।'' উক্তিষাৰৰ তাৎপৰ্য বিচাৰ কৰাঁ। 15

(c) 'গুৰু-চৰিত-কথা'ৰ গদ্য-ৰীতিৰ বৈশিষ্ট্যসমূহৰ এটি সম্যক আভাস দিয়াঁ। 15

3. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''ধাতু মুদ্ৰা এটিৰ এফালে ৰজাৰ চাব আৰু আনফালে মুদ্ৰাটিৰ বেচফেৰীৰ উল্লেখ থকাৰ দৰে গীতবোৰতো এফালে পৰমপুৰুষৰ মানৱী লীলাৰ ব্যক্তিত্বৰ চাব আৰু ভক্তৰ ভাষাত সেই চাবখিনিৰ মূল্যৰ ইংগিত আছে।'' মাধৱদেৱৰ বৰগীতৰ প্ৰসংগত কথাষাৰৰ যথাৰ্থতা নিৰূপণ কৰাঁ। 20

(b) মাধৱ কন্দলিৰ 'অযোধ্যাকাণ্ড'ত প্ৰতিফলিত হোৱা তদানীন্তন অসমীয়া সমাজ-জীৱনৰ এটি আভাস দিয়াঁ। 15

(c) 'পাৰিজাত হৰণ' নাটৰ নাৰদ চৰিত্ৰটো অৱতাৰণা কৰাত শংকৰদেৱৰ নাট্য-প্ৰতিভা কিদৰে পৰিস্ফুট হৈছে, ব্যাখ্যা কৰাঁ। 15

4. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) ''দৈনন্দিন কথ্যভাষাক ভট্টদেৱে গ্ৰহণ কৰা নাই। কথ্যভাষাৰে এটা সাধু আৰু গম্ভীৰ ৰূপ গদ্যত ব্যৱহাৰ কৰিছে।'' এই উক্তিৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতি সম্পৰ্কে এটি নিবন্ধ লিখাঁ। 20

(b) 'ৰাসক্ৰীড়া' অধ্যায়ৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰাঁ। 15

(c) মাধৱদেৱৰ 'ৰাজসূয়' কাব্যখনৰ বিষয়বস্তু কি? কাব্যখনত ভক্তিৰস কিদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰাঁ। 15

## SECTION—B

5. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* শব্দৰ ভিতৰত লিখাঁ : 10×5=50

(a) 'মোৰ জীৱন সোঁৱৰণ'ৰ প্ৰথম ভাগৰ প্ৰথম অধ্যায়ত তদানীন্তন সমাজৰ বাস্তৱ ছবি কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।

(b) '''জীৱনৰ বাটত' উপন্যাসৰ পুৰুষ চৰিত্ৰৰ তুলনাত নাৰী চৰিত্ৰবোৰ অধিক উজ্জ্বল, অধিক গতিশীল আৰু প্ৰাণস্পন্দনশীল।'' মন্তব্যটিৰ আধাৰত উপন্যাসখনত তগৰৰ স্থান নিৰূপণ কৰাঁ।

(c) 'সম্ৰাট' কবিতাত আধুনিকতাবাদী ধাৰণা কিদৰে প্ৰতিফলিত হৈছে, বিশ্লেষণ কৰাঁ।

(d) 'কাৰেঙৰ লিগিৰী' নাটকৰ সংলাপ সম্পৰ্কে এটি টোকা লিখাঁ।

(e) ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ অহিংস আৰু সশস্ত্ৰ স্বৰূপ দুটি 'মৃত্যুঞ্জয়' উপন্যাসৰ মাজেৰে কিদৰে ফুটি উঠিছে, এটি আভাস দিয়াঁ।

6. তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) আত্মজীৱনীৰ মূল বৈশিষ্ট্যসমূহ কি কি? আত্মজীৱনী হিচাপে লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ৰ সাৰ্থকতা বিচাৰ কৰাঁ। 20

(b) অসমীয়া ৰমণ্যাসিক কবিতাৰ ধাৰাত চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা'ৰ স্থান নিৰূপণ কৰাঁ। 15

(c) পদ্মনাথ গোহাঞিবৰুৱাই 'গাঁওবুঢ়া' নাটকত কিদৰে গাঁৱলীয়া জীৱনৰ নিখুঁত পৰিবেশ ৰচনাত দক্ষতা দেখুৱাইছে, এটি আলোচনা আগবঢ়োৱাঁ। 15

**7.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) 'জীৱনৰ বাটত' উপন্যাসখনৰ মাজেৰে প্ৰকাশ পোৱা অসমৰ লোক-সংস্কৃতি সম্পৰ্কে এটি নিবন্ধ যুগুতোৱাঁ। 20

(b) ''বেজবৰুৱাই তেওঁৰ ব্যংগাত্মক নিবন্ধসমূহৰ মাজেৰে অসমীয়া জাতি আৰু সমাজখনলৈ কিছুমান দৰকাৰী উপদেশ আৰু পৰামৰ্শ আগবঢ়াইছিল।'' এই উপদেশ আৰু পৰামৰ্শসমূহ কেনেধৰণৰ আছিল, 'কৃপাবৰ বৰবৰুৱাৰ কাকতৰ টোপোলা'ৰ আধাৰত বিশ্লেষণ কৰাঁ। 15

(c) ৰজনীকান্ত বৰদলৈয়ে উপন্যাস ৰচনাৰ ক্ষেত্ৰত বুৰঞ্জী-প্ৰসিদ্ধ ঘটনাৱলীক পটভূমি হিচাপে লোৱাৰ মূল কাৰণ কি কি আছিল বুলি তুমি ভাবা? বুৰঞ্জীমূলক উপন্যাস হিচাপে 'মনোমতী'ৰ এটি আলোচনা যুগুত কৰাঁ। 15

**8.** তলৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখাঁ :

(a) নৱকান্ত বৰুৱাৰ কবিতাৰ বিশেষত্বসমূহ উল্লেখ কৰি 'সম্ৰাট' কবিতাটোৰ বিষয়বস্তু তোমাৰ ভাষাত বহলাই লিখাঁ। 20

(b) '''কাৰেঙৰ লিগিৰী' নাটকখনৰ কাহিনী বিকাশত সংঘাতে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।'' মন্তব্যটোৰ আধাৰত নাটকখনৰ মাজেৰে প্ৰতিফলিত হোৱা সংঘাতৰ বিভিন্ন স্বৰূপৰ বিশ্লেষণ কৰাঁ। 15

(c) 'পুৰণি অসমীয়া সাহিত্য' পুথিখনৰ অন্তৰ্গত 'বধ-কাব্য' শীৰ্ষক নিবন্ধত বধ-কাব্যসমূহক য়ুৰোপীয় সাহিত্যৰ ৰোমাঞ্চ কাব্যবোৰৰ দৰে সাম্যভাব প্ৰৱৰ্তনৰ চেষ্টাৰ পৰা উদ্ভূত বুলি কিয় কোৱা হৈছে, আলোচনা কৰাঁ। 15

★ ★ ★

# অসমীয়া

## প্ৰশ্নকাকত—II

( সাহিত্য )

নিৰ্ধাৰিত সময় : 3 ঘণ্টা

সৰ্বাধিক নম্বৰ : 250

**প্ৰশ্নোত্তৰ বহী-সম্পৰ্কীয় বিশেষ নিৰ্দেশনা**

**প্ৰশ্নোত্তৰ কৰাৰ আগতে তলৰ নিৰ্দেশনাখিনি ভালদৰে পঢ়ি লোৱাঁ**

প্ৰশ্নকাকতখনত দুটা শাখাত **আঠটা** প্ৰশ্ন দিয়া আছে।

ইয়াৰ ভিতৰত কেৱল **পাঁচটা** প্ৰশ্নৰ উত্তৰ কৰাঁ।

প্ৰশ্ন নং **1** আৰু **5** বাধ্যতামূলক। বাকী **তিনিটাৰ** প্ৰত্যেকটো শাখাৰ পৰা কমেও **এটাকৈ** বাচি লৈ উত্তৰ কৰাঁ।

প্ৰতিটো প্ৰশ্নৰ মূল্যাঙ্ক কাষত উল্লেখ কৰা হৈছে।

প্ৰশ্নৰ উত্তৰ **অসমীয়াত** কৰাঁ।

শব্দৰ সংখ্যা য'ত যি ধৰণে দিয়া হৈছে, সেই ধৰণে ৰক্ষা কৰাঁ।

প্ৰশ্নৰ উত্তৰসমূহ ক্ৰম অনুসৰি কৰাঁ। আধৰুৱাকৈ কৰা প্ৰশ্নৰ উত্তৰবো মূল্যাঙ্কন কৰা হ'ব। প্ৰশ্ন-সংলগ্ন উত্তৰবহীৰ পৃষ্ঠাৰ কোনো অংশ বা সম্পূৰ্ণ পৃষ্ঠা নিলিখাকৈ এৰিলে তাক স্পষ্টকৈ চিহ্নিত কৰাঁ।

# ASSAMESE

## PAPER—II

( LITERATURE )

Time Allowed : Three Hours

Maximum Marks : 250

**QUESTION PAPER SPECIFIC INSTRUCTIONS**

**Please read each of the following instructions carefully before attempting questions**

There are EIGHT questions divided in two Sections.

Candidate has to attempt FIVE questions in all.

Question Nos. **1** and **5** are compulsory and out of the remaining, THREE are to be attempted choosing at least ONE from each Section.

The number of marks carried by a question/part is indicated against it.

Answers must be written in ASSAMESE (Assamese script).

Word limit in questions, wherever specified, should be adhered to.

Attempts of questions shall be counted in sequential order. Unless struck off, attempt of a question shall be counted even if attempted partly. Any page or portion of the page left blank in the Question-cum-Answer Booklet must be clearly struck off.

## SECTION—A

**1.** তলত দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

*(a)* 'পাৰিজাত হৰণ' নাটখনৰ কাহিনীভাগৰ মূল উৎস কি? উৎস গ্ৰহণ কৰি ৰচনা কৰিলেও নাটখনত নাট্যকাৰ শংকৰদেৱে কেনেদৰে মৌলিক চিন্তা তথা সৃজনী-প্ৰতিভাৰ ৰহণ সানিছিল?

*(b)* 'অযোধ্যাকাণ্ড'ৰ আধাৰত মাধৱ কন্দলিৰ অনুবাদৰীতিৰ বিষয়ে আলোচনা কৰাঁ।

*(c)* 'গুৰু-চৰিত-কথা'ত মানৱ শংকৰদেৱৰ চৰিত্ৰত কেনেদৰে দৈৱত্ব আৰোপ কৰা হৈছে, উদাহৰণসহ আলোচনা কৰাঁ।

*(d)* মাধৱদেৱৰ লীলাপ্ৰধান বৰগীতসমূহত কৃষ্ণৰ চৰিত্ৰটো কেনেদৰে উপস্থাপন কৰা হৈছে?

*(e)* " 'কথা-ভাগৱত'ৰ শব্দসম্ভাৰত সংস্কৃতীয়া শব্দৰ প্ৰয়োগেই অধিক"—কথাষাৰৰ সত্যাসত্য নিৰূপণ কৰি এটি প্ৰবন্ধ যুগুত কৰাঁ।

**2.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* মাধৱদেৱৰ দ্বাৰা ৰচিত বৰগীতৰ আধাৰত বৰগীতৰ প্ৰধান বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি এটা নিবন্ধ যুগুত কৰাঁ। 20

*(b)* ৰাজসূয় যজ্ঞ কোনে, ক'ত আয়োজন কৰিছিল? এই যজ্ঞৰ নিমন্ত্ৰণ পাই দ্বাৰকাধিপতি কৃষ্ণই সগোত্ৰে-সবান্ধৱে কেনেদৰে যাত্ৰা কৰিছিল? 15

*(c)* কন্দলিৰ ৰামায়ণৰ 'অযোধ্যাকাণ্ড'ৰ আলমত সীতা আৰু লক্ষ্মণ সহিতে ৰাম বনবাসলৈ যোৱাৰ সময়খিনি বৰ্ণনা কৰাঁ। 15

**3.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ 'পাৰিজাত হৰণ' নাটখনত কেনেদৰে প্ৰকাশ পাইছে, উপযুক্ত উদাহৰণসহ আলোচনা কৰাঁ। 20

*(b)* 'কীৰ্ত্তন-ঘোষা'ৰ 'ৰাসক্ৰীড়া' অধ্যায়ত শৃংগাৰ ৰস আৰু ভক্তিৰস কেনেদৰে সংপৃক্ত হৈ আৰু অৱশেষত ভক্তিৰসে কেনেদৰে আধিপত্য বিস্তাৰ কৰিছে, বিচাৰ কৰাঁ। 15

*(c)* মাধৱদেৱৰ 'ৰাজসূয় কাব্য'ৰ ভাষাৰ লালিত্যৰ বিষয়ে কাব্যখনৰ পৰা উদ্ধৃতি দাঙি ধৰি লিখাঁ। 15

**4.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* 'কথা-ভাগৱত'ৰ প্ৰথম দুটা স্কন্ধৰ আধাৰত বৈকুণ্ঠনাথ ভট্টাচাৰ্যৰ গদ্যৰীতি বিষয়ে এটি আলচ যুগুত কৰাঁ। 20

*(b)* বৃন্দাবনৰ যমুনাতটত কৃষ্ণ আৰু গোপীসকলৰ মাজত 'ৰাসক্ৰীড়া' সংঘটিত হোৱা পূৰ্ণচন্দ্ৰৰ নিশাটো বৰ্ণনা কৰাঁ। 15

*(c)* মধ্যযুগীয় অসমীয়া সাহিত্যৰ অন্যতম সম্পদ চৰিত পুথিবোৰৰ কিছুমান আছিল ছন্দোবদ্ধ আৰু কিছুমান আছিল গদ্যত ৰচিত। গদ্যত ৰচিত 'গুৰু-চৰিত-কথা'ৰ আধাৰত চৰিত পুথিৰ গদ্যৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰাঁ। 15

## SECTION—B

**5.** তলত দিয়া প্ৰশ্নবোৰৰ প্ৰতিটোৰ উত্তৰ *150* টা শব্দৰ ভিতৰত লিখাঁ : 10×5=50

*(a)* লক্ষ্মীনাথ বেজবৰুৱাই তেওঁৰ আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ'ত নিজকে 'ভূমিষ্ঠ নহৈ নৌকাস্থ হোৱা' বুলি উল্লেখ কৰি নিজৰ জন্মৰ সময়চোৱা বৰ্ণনা কৰিছে। এই সময়চোৱাৰ কথাখিনি তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰাঁ।

*(b)* চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্যপুথি 'প্ৰতিমা'ৰ বিষয়ে বেজবৰুৱাই "প্ৰতিমাখনি সৰু, কিন্তু নিভাঁজ সোণৰ" বুলি কৰা মন্তব্যটোৰ তাৎপৰ্য বিচাৰ কৰাঁ।

*(c)* ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

*(d)* লক্ষ্মীনাথ বেজবৰুৱাই কৃপাবৰ বৰুৱা ছদ্মনামেৰে লিখা ব্যংগাত্মক ৰচনাসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখাঁ।

*(e)* পদ্মনাথ গোহাঞিবৰুৱাৰ 'গাঁওবুঢ়া' নাটকখনৰ চৰিত্ৰসমূহৰ মুখত দিয়া সংলাপৰ বিষয়ে আলোচনা কৰাঁ।

**6.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* 'সম্ৰাট' কবিতাটোত উল্লেখ থকা 'জৰদ্‌গৱ অন্ধ সম্ৰাট'জন কোন? কবিতাটোত এই সম্ৰাটজনৰ মনস্তত্ত্ব কেনেকৈ প্ৰকাশ পাইছে? 20

*(b)* 'কাৰেঙৰ লিগিৰী' নাটকখনৰ মূল পুৰুষ চৰিত্ৰকেইটা বিশ্লেষণ কৰাঁ। 15

*(c)* বাণীকান্ত কাকতিৰ 'পুৰণি অসমীয়া সাহিত্য'ৰ অন্তৰ্গত প্ৰৱন্ধৰাজিৰ অন্তৰ্গত বধকাব্য শীৰ্ষক প্ৰৱন্ধটোত কাকতিয়ে অসমীয়া সাহিত্যৰ অনুপম সম্পদ বধকাব্যসমূহৰ বিশ্লেষণ কেনেদৰে উপস্থাপন কৰিছে, বিৱৰি লিখাঁ। 15

**7.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* "কেঁচা বৰলক জোকাই ল'লে গা সাৰিবলৈ টান"—'মৃত্যুঞ্জয়' উপন্যাসৰ আৰম্ভণিৰ এই প্ৰথম বাক্যটো কোনে, কাক কৈছিল? এই বাক্যটোৰ পটভূমিৰ ৰাজনৈতিক পৰিৱেশটো উপন্যাসখনত কেনেদৰে বৰ্ণিত হৈছে, আলোচনা কৰাঁ। 20

*(b)* 'জীৱনৰ বাটত' উপন্যাসত ঔপন্যাসিক বীণা বৰুৱাই প্ৰয়োগ কৰা ভাষাৰীতি সম্পৰ্কে এটি আলচ প্ৰস্তুত কৰাঁ। 15

*(c)* "চন্দ্ৰকুমাৰ আগৰৱালাৰ 'প্ৰতিমা' আৰু নৰকান্ত বৰুৱাৰ 'সম্ৰাট' কবিতাই ৰোমাণ্টিক আৰু আধুনিক কবিতাক প্ৰতিনিধিত্ব কৰে।" কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰি এটি তুলনামূলক আলোচনা আগবঢ়োৱাঁ। 15

**8.** তলৰ তিনিওটা প্ৰশ্নৰ উত্তৰ লিখাঁ :

*(a)* ''ৰজনীকান্ত বৰদলৈৰ 'মনোমতী' উপন্যাসৰ পটভূমি ঐতিহাসিক হ'লেও সামাজিক জীৱন প্ৰৱাহৰ চিত্ৰ তাত সুন্দৰকৈ চিত্ৰিত হোৱা দেখা যায়।'' কথাষাৰ বিশ্লেষণ কৰাঁ। 20

*(b)* 'মৃত্যুঞ্জয়' উপন্যাসৰ যি কোনো দুটা মুখ্য চৰিত্ৰ বিশ্লেষণ কৰি এটি নিবন্ধ যুগুত কৰাঁ। 15

*(c)* বায়নৰ ল'ৰা ভোগমনে গাঁওবুঢ়াৰ পদবী পোৱাৰ পাছত ঘৰে-বাহিৰে যি দুৰ্দশাৰ সন্মুখীন হৈছিল সেয়া পদ্মনাথ গোহাঞিবৰুৱাই কেনেদৰে বৰ্ণনা কৰিছে সেয়া তোমাৰ ভাষাত লিখাঁ। 15

★★★